# News Report

# ডিব্ৰুগড়ত অসম কলেজ শিক্ষক সংস্থাৰ বাৰ্ষিক অধিৱেশনৰ সামৰণি

## ড° জয়ন্ত বৰুৱা সভাপতি পৰাগজ্যোতি মহন্ত সম্পাদক নিৰ্বাচিত



প্ৰতিদিন সংবাদ, ডিব্ৰুগড়, ৩০ জানুৱাৰী ঃ অসম কলেজ শিক্ষক সংস্থা ডিব্ৰুগড় মণ্ডলৰ উদ্যোগত আৰু ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় শিক্ষক গোটৰ আতিথ্যত ডি এইচ এছ কে কলেজত অনুষ্ঠিত অসম কলেজ শিক্ষক সংস্থাৰ ৬৮ সংখ্যক বাৰ্ষিক অধিৱেশনৰ আজি সামৰণি পৰে। আজি অন্তিম দিনৰ কাৰ্যসূচীৰ মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম কলেজ অধ্যক্ষ পৰিষদৰ সভাপতি ড° সৌমাৰজ্যোতি মহন্তই কয়, এইকেশ শতিকাৰ পিচৰে ■ ১২ পৃষ্ঠাত

## ডিব্ৰুগড়ত অসম কলেজ শিক্ষক সংস্থাৰ বাৰ্ষিক অধিৱেশনৰ

পৰা শিক্ষা ব্যৱস্থাত আমূল পৰিবৰ্তন হৈছে। বৰ্তমান ছাত্ৰ-ছাত্ৰীসকলৰ শিক্ষা গ্ৰহণৰ প্ৰতি আগ্ৰহ কমা পৰিলক্ষিত হৈছে। তাৰ উপায়স্বৰূপে তেওঁ উদ্যমিতা, ঔদ্যোগিক চিন্তাক আগবঢ়াই দি ছাত্ৰ-ছাত্ৰীসকলক পুনৰ শিক্ষাৰ প্ৰতি আগ্ৰহী কৰি তোলাত গুৰুত্ব দিব লাগিব বুলি মত প্ৰকাশ কৰি কয়, শিক্ষকসকলে আত্মবিশ্লেষণৰ মাধ্যমেৰে সমাজৰ প্ৰতি থকা দায়িত্ব নতশিৰে স্বীকাৰ কৰি সমাজখনক আগুৱাই নিব লাগিব। অসম কলেজ শিক্ষক সংস্থাৰ সাধাৰণ সম্পাদক ড° জয়ন্ত বৰুৱাই আঁত ধৰা মুকলি সভাত আদৰণী ভাষণ পদিয়ে ডি এইচ কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ তথা অসম কলেজ শিক্ষক সংস্থাৰ ৬৮ সংখ্যক বাৰ্ষিক কেন্দ্ৰীয় অধিৱেশনৰ অভ্যৰ্থনা সমিতিৰ সভাপতি ৬০ শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষ শইকীয়াই কয়, অসমৰে নহয়, সমগ্ৰ দেশৰ এটা শক্তিশালী বৌদ্ধিক সংগঠন অসম কলেজ শিক্ষক সংস্থাৰ শক্তি আৰু কৰ্মৰ ইতিহাস আছে। সেই ইতিহাস এক বৰ্ণিল ইতিহাস আৰু ইয়াক পাহৰি যোৱাটো কোনোপধ্যে উচিত নহয়। তেওঁ অসম কলেজ শিক্ষক সংস্থাৰ বৰ্ণিল ইতিহাসক সকলোৱে মিলি শক্তিশালী কৰি ৰখাৰ প্ৰতি আহ্বান জনায়। অসম কলেজ শিক্ষক সংস্থা গোলাঘাট মণ্ডলৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ড° দেৱজিৎ দত্তই সভাপতিত্ব কৰা সভাখনিত অসম পৰ্যটন উন্নয়ন নিগমৰ অধ্যক্ষ ঋতুপৰ্ণ বৰুৱাই কয় জীৱনবোৰক জীৱনৰূপে সজাই তুলিবলৈ প্ৰেৰণা দিয়ে আৰু সমাজৰ দিশ নিৰ্ণয় কৰে শিক্ষাগুৰুসকলে। অনুষ্ঠানটিত উপস্থিত থাকি অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন সভাপতি নৰেন চাংমাই, অসম কলেজ শিক্ষক সংস্থাৰ প্ৰাক্তন কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য সদানন্দ দত্ত, অসম কলেজ শিক্ষক সংস্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য দিগন্ত হাতীবৰুৱাই মননশীল বক্তৃতা আগবঢ়ায়। ডি এইচ এছ কানৈ মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলে পৰিৱেশন কৰা মহাবিদ্যালয় সংগীতেৰে শুভাৰম্ভ হোৱা মুকলি সভাখনিত সভাপতিৰ অভিভাষণ পাঠ কৰে অসম কলেজ শিক্ষক সংস্থাৰ ভাৰপ্ৰাপ্ত সভাপতি ড° ৰুমী খালেনে। উল্লেখ্য যে আজিৰ এই মুকলি সভাতে নগাঁও-মৰিগাঁও মণ্ডলৰ সদস্য ত্ৰিদীপ কুমাৰ গোস্বামীৰ 'বিয়গু দা ৰেইনৰ' শীৰ্ষক কবিতা পুথিখন উন্মোচন কৰা হয়। শেষত শলাগ জ্ঞাপন কৰে অসম কলেজ শিক্ষক সংস্থাৰ সাধাৰণ সম্পাদক ড° জয়ন্ত বৰুৱাই। উল্লেখ্য যে আজি ২০২৪ বৰ্ষৰ বাবে অনুষ্ঠিত অসম কলেজ শিক্ষক সংস্থাৰ নিৰ্বাচনত সভাপতি পদত ড° জয়ন্ত বৰুৱা জয়ী হোৱাৰ বিপৰীতে সম্পাদক পদত পৰাগজ্যোতি মহন্ত বিজয়ী হয়। আনহাতে উপ-সভাপতি পদত বিপুল চক্ৰৱৰ্তী, উপ-সভাপতি মহিলাৰ বাবে সংৰক্ষিত পদত ড° ববিতা দাস জয়ী হয়। বিত্ত সম্পাদকৰ পদত প্ৰাঞ্জল গগৈ, সাংগঠনিক সম্পাদক পদত ড° হজৰত আলী, শৈক্ষিক সম্পাদক পদত ড° বিজু মৰাণ আৰু মহিলা কোষৰ সম্পাদক পদত বন্দিতা বৰবৰা বিজয়ী হয়।